**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ উপৰি ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২। অসমত দ্বিতীয় পৰ্যায়ত কাইলৈ ৫টা সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব।

৩। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ'ব।

ooooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ উপৰি ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও দ্বিতীয় পৰ্যায়তে ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত এতিয়া তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব।

এই পৰ্যায়ত অউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ৪ গৰাকী প্ৰাৰ্থীসহ মুঠ এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

ooooooooo

অসমত দ্বিতীয় পৰ্যায়ত কাইলৈ ৫ টা সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। ৰাজ্যত দ্বিতীয় পৰ্যায়ত সামৰি লোৱা সমষ্টিকেইটাৰ ভিতৰত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টি আছে। বিজেপিৰ হৈ ৰাজ্যৰ পৰিবহণ আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ কৃপানাথ মাল্লা আৰু দিলীপ শইকীয়া নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। আনহাতে, কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নগাঁও আসনৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। এই পৰ্যায়ত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ ভোটদানৰ সুবিধা পাব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰ বয়সৰ উৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থকাৰ লগতে দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্য এহেজাৰ ৫৫১। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰলৈ অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০০

কাইলৈ ভোটগ্ৰহণ হ'বলগীয়া পাঁচোটা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ প্ৰিজাইডিং আৰু পোলিং বিষয়াসকল যাৱতীয় সা-সামগ্ৰী লৈ ৰাওনা হৈছে।

নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁৱৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান খেল পথাৰত লোকসভা সমষ্টিটোৰ সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া এইচ বাসৱৰাজেন্দ্ৰ উপস্থিত হৈ ভোটগ্ৰহণকাৰী বিষয়াসকলক সামগ্ৰী বিতৰণ ব্যৱস্থাৰ বুজ লয়। তেওঁৰ সৈতে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশীষ শৰ্মাও উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে অৰুণাচল প্ৰদেশত চাকমা-হাজংসকলক সংস্থাপন নিদি অসমত সংস্থাপন দিয়াৰ পোষকতা কৰিছে বুলি ওলোৱা বাতৰিটো মন্ত্ৰীগৰাকীয়ে অস্বীকাৰ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী ৰিজিজুৱে কৈছে যে অসমত চাকমা-হাজংসকলক সংস্থাপন দিবৰ বাবে তেওঁ কেতিয়াও কোৱা নাই। নাগৰিকত্ব সংশোধনী আইন অনুসৰি অৰুণাচলত চাকমা-হাজংসকল স্থায়ী নাগৰিক হ'ব নোৱাৰে আৰু সেই অনুসৰি চাকমা-হাজংসকলৰ সংস্থাপনৰ বিষয়টো সমাধান কৰাৰ বাবে শ্ৰী ৰিজিজুৱে নেদাৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হৈছিল। কিন্তু অসমত চাকমা-হাজংসকলক সংস্থাপন দিবৰ বাবে কোৱা নাই বুলি কিৰেণ ৰিজিজুৱে স্পষ্টভাৱে জানিবলৈ দিয়ে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। কাইলৈ মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। চতুৰ্থ পৰ্যায়ত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু জম্মু-কাশ্মীৰৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত দুহেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। এই পৰ্যায়ত ৰাজ্যৰ গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বৰপেটা আৰু বজালীত উপস্থিত নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বৰপেটা জিলা আয়ুক্ত আয়ুষ গাৰ্গ, নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তৰ সৈতে নিৰাপত্তাৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। ইয়াৰ পাছতে গোৱেলে বৰপেটা নিৰ্বাচনী জিলাৰ বাবে মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে। আনহাতে, বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত বজালী নিৰ্বাচনী জিলাত উপস্থিত হৈ গোৱেলে প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে ভট্টদেৱ বিশ্ববিদ্যালয়ত স্থাপন কৰিবলগীয়া ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত অৰ্থাৎ কাইলৈ আৰু ৭ মে'ৰ দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব। আনহাতে,

নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত কাইলৈ, ৭, ১৩, ২০ আৰু ২৫ মে’ তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ’ব।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে ২৭ এপ্ৰিল অৰ্থাৎ পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। ত্ৰিদীপ লহকৰ আৰু গুণজিৎ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

oooooooo

টকিঅ’ত কালি দশম ভাৰত-জাপানৰ নিৰস্ত্ৰীকৰণ, অপ্ৰসাৰ আৰু ৰপ্তানি নিয়ন্ত্ৰণৰ আলোচনা অনুষ্ঠিত হয়। পাৰমাণৱিক, ৰাসায়নিক আৰু জৈৱিক, বহিঃ মহাকাশ সুৰক্ষা, গতানুগতিক অস্ত্ৰ-শস্ত্ৰ আৰু ৰপ্তানি নিয়ন্ত্ৰণৰ সৈতে জড়িত বিষয় আৰু উন্নয়নৰ বিষয়ে আলোচনা কৰা হয়। ভাৰতীয় প্ৰতিনিধি দলটোক বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰস্ত্ৰীকৰণ আৰু আন্তৰ্জাতিক নিৰাপত্তা পৰিক্ৰমাৰ যুটীয়া সচিব মুআনপুই ছৈয়াৱীয়ে নেতৃত্ব দিয়ে। আনহাতে, জাপানৰ প্ৰতিনিধি দলটোক বিদেশ মন্ত্ৰালয়ৰ নিৰস্ত্ৰকৰণ, অপ্ৰসাৰ আৰু বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান কাটছুৰো কিটাগাৱাই নেতৃত্ব দিয়ে।

ooooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিজেপিয়ে সবকা সাথ, সবকা বিকাশ মন্ত্ৰেৰে কাম কৰি আছে। মধ্য প্ৰদেশৰ ম’ৰেনাত পুলিচ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত জনসভাত ভাষণ দি শ্ৰী মোদীয়ে কৈছে যে বিজেপিৰ বাবে দেশতকৈ আন কোনো ডাঙৰ নহয়। জাতি আৰু ধৰ্ম নিৰ্বিশেষে দেশৰ কোটি কোটি দৰিদ্ৰক বিনামূলীয়াকৈ ৰেচন প্ৰদান কৰা হৈছে বুলিও নেতাগৰাকীয়ে উল্লেখ কৰে। বিজেপি শাসনলৈ আহিলে ‘ৱান ৰেংক, ৱান পেঞ্চন’ নীতি প্ৰযোজ্য কৰিব বুলিও শ্ৰী মোদীয়ে আজিৰ সভাত প্ৰতিশ্ৰুতি দিয়ে।

ooooooo

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই অহা ২৭ এপ্ৰিলত অসমলৈ আহিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই কথা সদৰি কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটাৰ কংগ্ৰেছ প্ৰাৰ্থী দীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে গুৱাহাটীত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ইপিনে, যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দেলহি কেপিটেলছে গুজৰাট টাইটানছক ৪ ৰানত পৰাস্ত কৰে। খেলখনত দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক ঋষভ পণ্টৰ অপৰাজিত ৮৮ আৰু অক্ষৰ পেটেলৰ ৬৬ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অ’ভাৰত ৪টা উইকেট হেৰুৱাই ২২৪ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অ’ভাৰত ৮ উইকেটৰ বিনিময়ত ২২০ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ২৯টা বলত ৬৫ ৰান কৰে আৰু ডেভিদ মিলাৰে ২৩ টা বলত ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়। দিল্লীৰ ৰছিক ছলমানে ৩টা উইকেট লাভ কৰে।

ooooo

**সমাপ্ত**